প্ৰেছ বাৰ্তা নং ঃ ৩৫৬/২০২২

<u>নলবাৰীত ৬৮০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্পৰ শিলান্যাস তথা উদ্বোধন মুখ্যমন্ত্ৰীৰ</u>

# নলবাৰীবাসীৰ আশা-আকাংক্ষা পূৰণৰ প্ৰতি সংবেদনশীল ৰাজ্য চৰকাৰ ঃ মুখ্যমন্ত্ৰী

## <u>নলবাৰীক ৰাজ্যৰ অন্যতম সৰ্বাংগীন বিকাশশীল জিলা হিচাপে গঢ়ি তোলাৰ লক্ষ্য ৰাজ্য চৰকাৰৰ ঃ মুখ্যমন্ত্ৰী</u>

**দিছপুৰ, ৬ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি দিনজোৰা কাৰ্যসূচীৰে নলবাৰীত উপস্থিত হৈ ঐতিহ্যময় জিলাখনক ৰাজ্যখনৰ এখন অন্যতম সৰ্বাংগীন বিকাশশীল জিলা হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে মুঠ ১২ টা প্ৰকল্পৰ শিলান্যাস আৰু শুভ উদ্বোধন কৰে।

উল্লেখ্য যে এই ১২ টা প্ৰকল্পৰ আনুমানিক প্ৰকল্প ব্যয় ৬৮০ কোটি টকা নিৰ্দ্ধাৰণ কৰা হৈছে। আজি উদ্বোধন তথা শিলান্যাস কৰা প্ৰকল্পসমূহৰ ভিতৰত অন্যতম হৈছে ৫১ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া সৰিয়হতলীস্থিত জিলা ক্ৰীড়া ষ্টেডিয়াম প্ৰকল্প, ১০৬ কোটি টকা ব্যয় সাপেক্ষে নলবাৰী চহৰৰ সৌন্দৰ্যবৰ্দ্ধনৰ কাম, আনুমানিক ৫০ কোটি টকা ব্যয় সাপেক্ষে সংহত উপায়ুক্ত কাৰ্যালয় প্ৰকল্প, ৫ কোটি টকা ব্যয় সাপেক্ষে চৰকাৰী পলিটেকনিক প্ৰতিষ্ঠান আৰু ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ উন্নীতকৰণ, ৰাজ্যত প্ৰথমবাৰৰ বাবে থ্ৰিডি প্ৰজেক্শ্যন সম্বলিত বিজ্ঞান কেন্দ্ৰ আৰু তাৰকাগৃহ। তদুপৰি, সৰ্বমুঠ প্ৰায় ২০০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও পথ উন্নয়ন প্ৰকল্পৰো আজি শুভাৰম্ভ কৰা হয়।

এই উপলক্ষে সৰিয়হতলীত প্ৰস্তাৱিত জিলা ক্ৰীড়া ষ্টেডিয়াম চৌহদত আয়োজিত এখন ৰাজহুৱা সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে যে এই পদক্ষেপসমূহে নলবাৰী জিলাবাসীৰ আশা-আকাংক্ষা পূৰণৰ দিশত বহুদূৰ আগবঢ়াই নিব পাৰিব। নলবাৰীবাসীৰ আশা-আকাংক্ষা পূৰণৰ প্ৰতি ৰাজ্য চৰকাৰখন সংবেদনশীল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই পদক্ষেপসমূহ আগন্তুক দিনত নলবাৰী জিলাক সকলো দিশতে এখন অগ্ৰণী জিলালৈ ৰূপান্তৰকৰণৰ দিশতো সহায়ক হৈ উঠিব। তেওঁ জিলাখনৰ আৰ্থ-সামাজিক আৰু শৈক্ষিক উন্নয়নৰ বাবে চৰকাৰৰ প্ৰচেষ্টাত সহযোগিতা আৰু সমৰ্থন আগবঢ়াবলৈ জিলাখনৰ জনসাধাৰণক আহ্বান জনায়। তেওঁ চামতাত এখন অত্যাধুনিক ষ্টেডিয়াম নিৰ্মাণৰ ক্ষেত্ৰতো ৰাজ্য চৰকাৰে ইতিবাচক দৃষ্টিভংগীৰে বিবেচনা কৰিব বুলি কয়। মুখ্যমন্ত্ৰীয়ে কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰে লোৱা পদক্ষেপসমূহে উন্নয়নৰ দিশত যি নতুন প্ৰৱাহ বোৱাঁইছে তাৰ জৰিয়তে সমাজৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ কল্যাণক গুৰুত্ব প্ৰদান কৰা হৈছে।

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

পূৰ্বতে জনসাধাৰণে দাবী পূৰণৰ বাবে ধৰ্মঘট আৰু বিক্ষোভৰ আশ্ৰয় ল'বলগীয়া হোৱাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে জনসাধাৰণৰ অভাৱ অভিযোগ উপলব্ধি কৰি বৰ্তমানৰ ৰাজ্য চৰকাৰে জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণৰ বাবে এই পদক্ষেপসমূহ গ্ৰহণ কৰিছে।

জনসাধাৰণৰ কল্যাণৰ উদ্দেশ্যেৰে লোৱা বিভিন্ন ব্যৱস্থাৱলী বিশেষকৈ দৰিদ্ৰতা নিৰ্মূলৰ লক্ষ্যৰে লোৱা বিভিন্ন পদক্ষেপৰ বিষয়ে উল্লেখ কৰি এই কাৰ্যসূচীসমূহ ৰূপায়ণৰ দিশত মুখ্যমন্ত্ৰীয়ে জনসাধাৰণৰ সহযোগিতা বিচাৰে। প্ৰথম পৰ্যায়ত অৰুণোদয় আঁচনিৰ পৰা বাদ পৰি ৰোৱা পৰিয়ালসমূহক অৰুণোদয় ২.০ ৰ জৰিয়তে যাতে লাভান্বিত হ'ব পাৰে তাৰ বাবে আবেদন কৰিবলৈ আহ্বান জনায়। তেওঁ মিছন বসুন্ধৰা ২.০ ৰ আকাংক্ষিত লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত জনসাধাৰণৰ সহযোগিতাৰ বাবে আহ্বান জনায়। ধানখেতিৰ লগত জড়িত কৃষকসকলক ধান ক্ৰয় আঁচনিৰ সুবিধা গ্ৰহণ কৰিবলৈ আহ্বান জনাই মুখ্যমন্ত্ৰীয়ে কয় যে কৃষকে মধ্যভোগী আৰু অসাধু ব্যৱসায়ীক বিক্ৰী নকৰাটো নিশ্চিত কৰাৰ বাবে এই কামৰ শুভাৰম্ভ কৰা হৈছে। তেওঁ কয় যে কৃষকৰ পৰা প্ৰতি কুইণ্টলত ২০৪০ টকাৰ তলত ধান ক্ৰয় কৰা যিকোনো ব্যৱসায়ীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ সকলো উপায়ুক্তক নিৰ্দেশ প্ৰদান কৰা হৈছে।

আজিৰ এই অনুষ্ঠানত বিত্ত আদি বিভাগৰ মন্ত্ৰী অজন্তা নেওগ, পৰ্যটন আদি বিভাগৰ মন্ত্ৰী জয়ন্তমল্ল বৰুৱা, পৰিৱেশ আৰু বন আদি বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ আদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত আৰু পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আদি বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ লগতে অসম ৰাজ্যিক চলচ্চিত্ৰ বিত্ত আৰু উন্নয়ন নিগমৰ অধ্যক্ষ সীমান্ত শেখৰ প্ৰমুখ্যে গণ্য-মান্য লোকসকল উপস্থিত থাকে।

**অয়ন / হেঃশঃ**
**০৬/১২/২০২২**